জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৮২/২০২০

**চাহ জনগোষ্ঠীৰ অন্যতম শ্ৰমিক নেতা সন্তোষ কুমাৰ তপ্ন'ৰ স্মৃতিত আয়োজিত শ্ৰমিক কল্যাণ দিৱস অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# শিক্ষাৰ অবিহনে এটা জাতিৰ অস্তিত্ব, পৰিচয় আৰু স্বাভিমান ৰক্ষা কৰিব নোৱাৰি ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ নৱেম্বৰ ঃ** "চাহ জনগোষ্ঠী অসমৰ অন্যতম বৃহৎ জনগোষ্ঠী। ৰাজ্যৰ আৰ্থ-সামাজিক, সাংস্কৃতিক জীৱনধাৰাক শক্তিশালী কৰাৰ ক্ষেত্ৰত চাহ জনগোষ্ঠীয়ে অনন্য অৰিহণা যোগাই আহিছে। শ্ৰমিক নেতা সন্তোষ কুমাৰ তপ্নই চাহ জনগোষ্ঠীৰ লোকসকলৰ সৰ্বাংগীন বিকাশৰ বাবে অহোপুৰুষাৰ্থ কৰি থৈ গৈছে। এইগৰাকী পুৰোধা ব্যক্তিৰ জীৱন আৰু আদৰ্শৰে আমি সকলোৰে বাট বুলিব লাগিব।" আজি শ্ৰমিক নেতা সন্তোষ কুমাৰ তপ্নৰ জন্মদিনৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগে ডুমডুমা টাউন খেলপথাৰত আয়োজন কৰা শ্ৰমিক কল্যাণ দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শিক্ষা অবিহনে এটা জাতিৰ অস্তিত্ব, পৰিচয় আৰু স্বাভিমান সুৰক্ষিত কৰাটো সম্ভৱ নহয়। সেইবাবে ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠীৰ নতুন প্ৰজন্মক শিক্ষাৰে আগুৱাই নিয়াৰ বাবে যথোচিত পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে চাহ জনগোষ্ঠীৰ যুৱচামক উপযুক্ত শিক্ষা আহৰণৰ বাবে অধ্যাৱসায় কৰিবলৈ আহ্বান জনাই নিজকে একো একোগৰাকী সুনাগৰিক হিচাপে জিলিকাই তুলিবলৈ দৃঢ়তাৰে প্ৰয়াস চলাবলৈ কয়। পূৰ্বৰ চৰকাৰসমূহে চাহ জনগোষ্ঠীৰ উন্নয়নৰ প্ৰতি কোনোধৰণৰ আন্তৰিকতা প্ৰদৰ্শন নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে চাহ বাগিচাসমূহত বিদ্যালয় স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে পূৰ্বতে চাহ বাগিচা এলেকাত বিদ্যালয় স্থাপনৰ বাবে কোনো পদক্ষেপ লোৱা হোৱা নাছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে চাহ জনগোষ্ঠীৰ সৰ্বাংগীন উন্নয়নৰ প্ৰতি বদ্ধপৰিকৰ। সেইবাবে চাহ বাগিচা এলেকাত আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠা কৰা, উন্নত স্বাস্থ্য সেৱা প্ৰদান কৰাৰ বাবে মোবাইল মেডিকেল ইউনিটৰ ব্যৱস্থা কৰা, জন-ধন যোজনাৰ বেংক একাউণ্ট খুলি শ্ৰমিকসকললৈ প্ৰাপ্য ধন হস্তান্তৰ কৰা আদিকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। এনেবোৰ আঁচনিৰ জৰিয়তে চাহ জনগোষ্ঠীৰ লোকসকলক শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ প্ৰচেষ্টা চলোৱা হৈছে বুলিও তেওঁ কয়।

সংঘাতৰ পৰিৱৰ্তে সমন্বয়ৰ দ্বাৰাহে সমাজ শক্তিশালী হয় বুলি উল্লেখ কৰি তেওঁ সকলো জাতি-জনগোষ্ঠীক একতা আৰু বুজা-বুজি ৰক্ষা কৰিবলৈ আহ্বান জনায়। এখন ঐক্যবদ্ধ আৰু শক্তিশালী অসমীয়া সমাজ গঢ়ি তুলিব পাৰিলেহে শ্ৰমিক নেতা সন্তোষ কুমাৰ তপ্ন'ৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা নিবেদন কৰা হ'ব বুলি

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয়। চাহ জনগোষ্ঠীৰ যুৱ চামক শিক্ষা আৰু বিভিন্ন ক্ষেত্ৰত দক্ষতা আহৰণ কৰি চাহ জনগোষ্ঠীৰ মাজত থকা সম্ভাৱনীয়তা পূৰ্ণভাৱে বিকশাই তুলিবলৈও তেওঁ আহ্বান জনায়।

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে চাহ জনগোষ্ঠীৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা খেলুৱৈ, স্বাস্থ্যকৰ্মী, শিক্ষক, সমাজ সেৱকসকলক জাতিটোৰ উন্নয়নৰ ক্ষেত্ৰত অৰিহণা যোগোৱাৰ বাবেও সম্বৰ্দ্ধনা জনায়। আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে খোৱাং চাহ বাগিচা, লেপেটকটা চাহ বাগিচা, শান্তি চাহ বাগিচা আৰু বৰবৰুৱা চাহ বাগিচা কৰ্তৃপক্ষক শ্ৰমিকসকলৰ মজুৰি ১০০ শতাংশই ডিজিটেল মাধ্যমৰে আদায় দিয়াৰ বাবে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে পি পি পি মোডৰ জৰিয়তে পৰিচালিত দিনজান চাহ বাগিচাৰ চিকিৎসালয়ত অসম চৰকাৰৰ আঁচনিৰ অধীনত উন্নত চিকিৎসা প্ৰদানৰ বাবে চিকিৎসা কৰ্তৃপক্ষই লোৱা ব্যৱস্থাৰ বাবেও সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

আজিৰ এই সভাত সাংসদ প্ৰদান বৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, ঋতুপৰ্ণ বৰুৱা, সুৰেন ফুকন, বলিন চেতিয়া, দুৰ্গা ভূমিজ, তেৰচ গোৱালা, ভাস্কৰ শৰ্মা আৰু নৰেন সোণোৱালৰ লগতে সন্তোষ কুমাৰ তপ্ন'ৰ পুত্ৰ দয়াল তপ্ন প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাক্ষৰ**
**২৩/১১/২০২০**